# আগকথা

প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশে শিশুৰ সৰ্বাংগীন বিকাশক সাঙুৰি লয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থাত প্ৰতিগৰাকী শিশুৱে যাতে শিক্ষা লাভ কৰে আৰু সৰ্বাত্মক বিকাশৰ সুযোগ পায়, তাক নিশ্চিত কৰিবলৈ হ'লে এগৰাকী শিক্ষক ল'ৰা-ছোৱালীৰ শিকনৰ বিকাশ আৰু বিভিন্ন শিক্ষণ নীতিসমূহৰ বিষয়ে অৱগত হোৱাটো প্ৰয়োজন। ইয়াৰ বাবে প্ৰয়োজন গুণগত পাঠ্যক্ৰম আৰু এটা সুস্থ শৈক্ষিক পৰিৱেশত ইয়াৰ ফলদায়ক আদান-প্ৰদানৰ লক্ষ্যৰে এক বহুমুখী শিক্ষা ব্যৱস্থাৰ। ল'ৰা-ছোৱালীৰ শিকন অগ্ৰগতিৰ বুজ লোৱা, সিহঁতৰ শিকনৰ দুৰ্বল দিশসমূহ চিনাক্ত কৰা আৰু এটা বোজাবিহীন বা মুক্ত পৰিবেশত তেওঁলোকৰ বিকাশ আৰু উন্নতিৰ সুবিধা প্ৰদানৰ বাবে সময়মতে উচিত ব্যৱস্থা গ্ৰহণ কৰা আদি দিশসমূহত শিক্ষকসকলক সহায় কৰাৰ উদ্দেশ্যেৰে শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ (CCE) ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (NCERT) নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে Continous and Comprehensive Evaluation (CCE) অৰ্থাৎ অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ওপৰত এক বিশেষ দৃষ্টান্তমূলক সমল-সম্ভাৰ (examplar package) প্ৰস্তুত কৰি উলিয়াইছে। এই সমল সম্ভাৰৰ জৰিয়তে শিক্ষণ-শিকন প্ৰক্ৰিয়াত কেনেকৈ অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ সফল ৰূপায়ণ কৰিব পাৰি, সেই সম্পৰ্কে উপযুক্ত বিষয়ৰ উদাহৰণসহ মূল্যায়নৰ ধাৰণা প্ৰদান কৰা হৈছে। ইতিমধ্যে আমাৰ ৰাজ্যতো অবিৰত আৰু সামগ্ৰিক মূল্যায়ন, গুণোৎসৱ আদিৰ দৰে অভিনৱ প্ৰচেষ্টাৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক, বিদ্যালয় আৰু সমাজৰ সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে। প্ৰচলিত শিকন প্ৰক্ৰিয়া সঠিকভাৱে আগুৱাই নিয়াত শিক্ষক, অভিভাৱকৰ লগতে সমাজৰ সচেতন ব্যক্তি, শৈক্ষিক প্ৰশাসকসকলক জড়িত কৰি শিক্ষাৰ গুণগত দিশটোক সঠিকভাৱে বাস্তৱায়িত কৰিবলৈ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ (MHRD, Govt. of India) নিৰ্দেশনাক্ৰমে ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ (NCERT) তৰফৰ পৰা এখন তথ্য সম্বলিত নথি প্ৰস্তুত কৰি উলিয়াইছে, য'ত প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ লগত সংগতি ৰাখি সকলো পাঠ্যক্ৰমভিত্তিক বিষয়ৰ আকাংক্ষিত শিকনৰ ফলাফল (learning outcomes) সন্নিৱিষ্ট কৰা হৈছে। এই সমল নথিকে আধাৰ হিচাপে গ্ৰহণ কৰি ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে ইয়াৰ অসমীয়া সংস্কৰণ এটি যুগুত কৰি উলিয়াইছে যাতে ইয়াৰ অন্তৰালৰ ভাবাদৰ্শ বুজি পোৱাত শিক্ষক, অভিভাৱকৰ লগতে সমাজৰ আন ব্যক্তিসকলৰো সুবিধা হয়। এইক্ষেত্ৰত ভিন ভিন অনুষ্ঠানত কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত সমল ব্যক্তিয়ে সহায় সহযোগ আগবঢ়াইছে। এই সুযোগতে তেখেতসকললৈ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ছাত্ৰ-ছাত্ৰীৰ শিকন নিশ্চিতকৰণ আৰু গুণগত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিদ্যালয়-শিক্ষাৰ লগত জড়িত ব্যক্তি অৰ্থাৎ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক সকলৰ নিজা নিজা প্ৰচেষ্টাত সঠিক নিৰ্দেশনা দিয়াৰ উদ্দেশ্যেৰে অতি প্ৰয়োজনীয় এই শিকনৰ ফলাফলসমূহ (প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত) শ্ৰেণী অনুযায়ী বিভিন্ন বিষয়ৰ যেনে— অসমীয়া, পৰিৱেশ অধ্যয়ন, বিজ্ঞান, গণিত, সমাজ বিজ্ঞান, হিন্দী, ইংৰাজী আদিৰ বাবে প্ৰস্তুত কৰি উলিওৱা হৈছে। এই নথিখনে জিলা, ৰাজ্যিক, ৰাষ্ট্ৰীয় বা গোলকীয় পৰ্যায়ত থকা বিভিন্ন সংগঠন বা অনুষ্ঠানক ৰাজ্যিক ভিত্তিত শিকন অৰ্হতা আহৰণৰ জৰীপ/শৈক্ষিক সাফল্যৰ জৰীপ (Achievement Survey) অনুষ্ঠিত কৰিবলৈ আৰু শৈক্ষিক নীতি-নিৰ্দেশনা বিকাশ কৰিবলৈ সহায় কৰিব।

এই নথিসমূহৰ ব্যৱহাৰযোগ্যতা আৰু গুণগত মান উন্নয়নৰ সকলো পক্ষৰ মতামত আৰু দিহা-পৰামৰ্শ কামনা কৰিলো।

ড° নিৰদা দেৱী
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলীপাৰা, গুৱাহাটী-১৯

গুৱাহাটী
অক্টোবৰ, ২০১৭

# প্ৰস্তাৱনা

## নথিৰ প্ৰয়োজনীয়তা

“সকলোৰে বাবে শিক্ষা”— এই আপ্তবাক্যশাৰীয়ে যোৱা তিনিটা দশক ধৰি গুণগত শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দি আহিছে। এই শিক্ষা ব্যৱস্থাই ল'ৰা-ছোৱালীৰ নাম-ভৰ্তিকৰণ, শ্ৰেণীত সংৰক্ষণ আৰু শৈক্ষিক সফলতা আদি দিশ বিবেচনা কৰি আহিছে। শিক্ষাৰ গুণগতমান উন্নয়নে সৰ্বশিক্ষা অভিযান আৰু শিক্ষাৰ অধিকাৰ আইনৰ অধীনত অধিক প্ৰসাৰতা লাভ কৰিছে। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ দ্বাৰা প্ৰস্তুত কৰা সকলো ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আৰু আন আন গুৰুত্বপূৰ্ণ চৰকাৰী পৰিকল্পনাসমূহেও শিক্ষাৰ গুণগত উন্নয়নক প্ৰাথমিক লক্ষ্য হিচাপে অন্তৰ্ভুক্ত কৰিছে। এইদৰে এই শিক্ষা ব্যৱস্থাৰ ভিতৰত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক শৈক্ষিক অনুষ্ঠানসমূহক এই বিষয়ে অৱগত কৰাৰ প্ৰয়োজন এই কাৰণেই যে এই ব্যৱস্থাই প্ৰশাসক, পৰিকল্পনা তথা আঁচনি প্ৰস্তুত কৰোঁতাসকলৰ দ্বাৰা যুক্তিসংগত সিদ্ধান্ত গ্ৰহণৰ বাবে কাম কৰি আছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত হোৱা বিভিন্ন শৈক্ষিক সাফল্যৰ মূল্যায়নৰ জৰীপ (Assessment Survey) হৈছে এই দিশত লোৱা কিছুমান প্ৰাৰম্ভিক প্ৰচেষ্টা। ইয়াৰোপৰি বিদ্যালয় আৰু সমাজৰ লগত জড়িত বিভিন্ন ব্যক্তিসকলেও শিক্ষাৰ গুণগত মান উন্নয়নত এক বিশেষ ভূমিকা পালন কৰি আহিছে।

গোলকীয় পৰ্যৱেক্ষণ প্ৰতিবেদন, ২০১৫ (Global Monitoring Report, GMR–2015) অনুসৰি ভাৰতকে ধৰি আন আন উন্নয়নশীল দেশত শিক্ষাৰ বিশেষভাৱে প্ৰসাৰ ঘটিছে, কিন্তু গুণগত মান উন্নয়নৰ ক্ষেত্ৰত ই এতিয়াও এক চিন্তনীয় বিষয় হৈ ৰৈছে। ভাৰতত বিভিন্ন শৈক্ষিক সাফল্যৰ জৰীপ (achievement survey) যেনে— Annual Status of Education report (ASER)-এ সমগ্ৰ দেশজুৰি ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব প্ৰদৰ্শনত প্ৰতিফলিত হোৱা ব্যাপক বৈসাদৃশ্য সম্পৰ্কে খতিয়ান দাঙি ধৰিছে, যিটো ৰাষ্ট্ৰীয় মানৱ সম্পদ মন্ত্ৰণালয়, ২০১৪ ৰ অধীনত National Achievement Survey (NAS)-ত তৃতীয় শ্ৰেণীৰ বাবে কৰা জৰীপত ইতিমধ্যে প্ৰতিফলিত হৈছে।

যোৱা কিছু বছৰত সৰ্বশিক্ষা অভিযানৰ সম্পৰ্কত যুগুতোৱা যুটীয়া পৰ্যৱেক্ষণ অভিযানৰ প্ৰতিবেদন (Reports of joint Review Mission)-ত উল্লেখ কৰা হৈছে যে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলে সময়মতে শিক্ষণ-শিকন ব্যৱস্থা আৰু শিকন সামগ্ৰীৰ যোগান, অধিক শিক্ষকৰ নিয়োগকৰণ আৰু নিয়মিত পৰ্যৱেক্ষণ কৰা স্বত্ত্বেও ল'ৰা-ছোৱালীৰ বৰ্তমান শিকন পৰ্যায়টো আকাংক্ষিত পৰ্যায়লৈ আগবঢ়া নাই। এই প্ৰতিবেদন অনুসৰি ল'ৰা-ছোৱালীৰ পঠন আৰু সাংখ্যিক তথা গাণিতিক সামৰ্থতা প্ৰাপ্তিৰ দিশত ই এক বিফলতা, যিটো বৰ্তমান প্ৰেক্ষাপটত এক গুৰুত্বপূৰ্ণ তথা চিন্তনীয় বিষয়। এই দৃষ্টিভংগীৰে চালে দেখা যায় যে বিশেষকৈ সাক্ষৰতা, গণনা আৰু প্ৰয়োজনীয় জীৱনশৈলীৰ বাবে নিৰ্ধাৰিত শিকনৰ ফলাফল/শিকন লক্ষ্যৰ জৰিয়তে নিৰূপণ কৰা গুণাগুণসমূহ সকলোৰে আহৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ। প্ৰাথমিক শিক্ষাৰ বিশেষ উদ্দেশ্য হিচাপে ন্যূনতম শিকন আৰু গুণগত লক্ষ্যত উপনীত হোৱাটো নিশ্চিত কৰাৰ বাবে নিয়মীয়া শিকন নিৰূপণৰ আৱশ্যকতাই হৈছে দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূল বিষয়বস্তু। Global Monitoring Report, 2015 (GMR) আৰু বহনক্ষম উন্নয়ন লক্ষ্যৰ (SDG) পৰামৰ্শাৱলীৰ সৈতেও এই বিষয়ৰ সামঞ্জস্য আছে। একে সময়তে শৈক্ষিক ব্যৱস্থাপনাৰ লগত জড়িত বিভিন্ন ব্যক্তি, যেনে— অভিভাৱক আৰু স্থানীয় লোকৰ দ্বাৰা সমাজৰ নিম্ন পৰ্যায়ত (Ground level) এক জাগৰণ সৃষ্টি হ'বলৈ ধৰিছে, য'ত তেওঁলোকৰ অৱদান তথা সহযোগিতাৰ বাবে উপযুক্ত পৰ্যায়ত যথোপযুক্ত ব্যৱস্থাৱলী গ্ৰহণ কৰিবলৈ শিক্ষা ব্যৱস্থাক সজাগ আৰু দায়বদ্ধ কৰা হৈছে।

প্ৰায়েই দেখা যায় যে কি ধৰণৰ শিকন ব্যৱস্থা আৰু তাৰ মূল্যায়নৰ নীতি কেনে ধৰণৰ, সেই সম্পৰ্কে শিক্ষকসকল স্পষ্ট নহয়। কিয়নো সেইবোৰ মূল্যায়ন কৰাৰ নিৰ্দিষ্ট কোনো নীতি নাই। প্ৰতিটো শ্ৰেণীৰ শিকনৰ ফলাফলসমূহে শিক্ষণ-শিকন প্ৰক্ৰিয়াক বিচৰা ধৰণে আগবঢ়াই নিয়াত কেৱল শিক্ষকসকলকে

সহায় নকৰে; বৰং বিদ্যালয়ৰ শিক্ষাৰ লগত জড়িত অন্যান্য ব্যক্তি বিশেষকৈ অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য (SMC), স্থানীয় ব্যক্তি আৰু ৰাজ্যিক বিষয়া, কৰ্মচাৰী সকলোকে গুণগত শিক্ষাৰ নিশ্চিতকৰণত সজাগ আৰু দায়বদ্ধ কৰে। বিভিন্ন পাঠ্যক্ৰমৰ অন্তৰ্গত বিষয়ৰ শিকনৰ উদ্দেশ্য সফলতাৰে সম্পাদন কৰাৰ ক্ষেত্ৰত বিশদভাৱে ব্যাখ্যা কৰা শিকনৰ ফলাফলে বিদ্যালয় শিক্ষাৰ আওতাৰ ভিতৰত থকা বিভিন্ন ব্যক্তিক সঠিক পথ নিৰ্দেশ কৰাৰ লগতে তেওঁলোকৰ দায়িত্ব আৰু দায়বদ্ধতাও নিশ্চিত কৰিব।

## কিয় এই পৰিবৰ্তন?

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু ১৯৯২ চনত সংশোধিত তথা কাৰ্যকৰণ আঁচনিয়ে ছাত্ৰ-ছাত্ৰীৰ ন্যূনতম শিকন পৰ্যায় নিৰূপণ কৰি সময়ে সময়ে তাৰ খতিয়ান লোৱাৰ পোষকতা কৰিছিল, যাতে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হ'ব পাৰে। ১৯৯২ চনত, প্ৰাথমিক স্তৰৰ বাবে বিভিন্ন শ্ৰেণী আৰু বিষয় অনুযায়ী ন্যূনতম শিকন পৰ্যায় (Minimum Levels of Learning) সমূহ অৰ্হতাৰ ভিত্তিত প্ৰস্তুত কৰি উলিওৱা হৈছিল, যিবোৰৰ মূল্যায়ন আছিল অধিক ফলাফলমুখী আৰু ল'ৰা-ছোৱালীৰ সামগ্ৰিক বিকাশৰ মান নিৰূপণৰ পৰিসৰ আছিল সীমিত। প্ৰায় এক দশক পূৰ্বে পাঠ্যক্ৰম আদান-প্ৰদানৰ ক্ষেত্ৰত স্বাভাৱিক শিকাৰু হিচাপে ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ জ্ঞান আহৰণৰ দক্ষতা লাভ কৰে, এই ধাৰণাটোৱে মুখ্য স্থান পায় আৰু এনে শিক্ষাদান প্ৰক্ৰিয়াত শিক্ষকসকলে কেৱল সেই জ্ঞান-আহৰণ প্ৰক্ৰিয়াত সহায়কাৰী হিচাপেহে ভূমিকা গ্ৰহণ কৰে। এইদৰে লাভ কৰা জ্ঞান আছিল তেওঁলোকৰ চাৰিওফালৰ পৰিৱেশৰ সৈতে জড়িত হৈ কৰা নিৰীক্ষন, প্ৰতিক্ৰিয়া, আৱিষ্কাৰ আৰু তাক অৰ্থৱহ কৰি তোলাৰ ফল। অৰ্থাৎ শিকন প্ৰক্ৰিয়াই হৈছে এনে শিক্ষা পদ্ধতিৰ মূল কেন্দ্ৰ। ধাৰণাৰ বোধ জন্মোৱাটো কোনো এটা বিষয়বস্তুৰ এক অবিৰত প্ৰক্ৰিয়া যেনে, কোনো এটা ধাৰণা স্পষ্ট বা গভীৰতালৈ নিয়া আৰু বিভিন্ন স্তৰত বিভিন্ন কাৰ্যকৌশল আহৰণত এটাৰ লগত আনটোৰ সম্বন্ধ স্থাপন কৰা, বৌদ্ধিক বিকাশৰ অবিচ্ছেদ্য উপাদান হিচাপে আৱেগিক নিয়ন্ত্ৰণ বা বিকাশ, বিমূৰ্ত চিন্তাৰ অৰ্থৱহ ধাৰণা প্ৰতিষ্ঠা আৰু তাক প্ৰতিফলন কৰা সামৰ্থৰ বিকাশ আদি। বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ৰ অধীনত এক মৌলিক অধিকাৰৰ গৰাকী হিচাপে প্ৰতিগৰাকী শিশুৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়োজনীয় শিক্ষাৰ অধিকাৰে প্ৰায় সকলোবোৰ শিক্ষানীতি সম্পৰ্কীয় নথিত আগ স্থান পাইছে। লিখিত পৰীক্ষাৰ জৰিয়তে আৱেগিক গুণসমূহ সঠিক ৰূপত মূল্যায়ন কৰাটো জটিল, কাৰণ সেইবোৰ বস্তুনিষ্ঠ আৰু বিষয়ভিত্তিক; তদুপৰি ল'ৰা-ছোৱালীৰ সৰ্বাংগীন বিকাশত অনিশ্চয়তা থকাৰ লগতে সেইবোৰ ভ্ৰান্ত ধাৰণা আৰু ব্যক্তিগত প্ৰাধান্যৰ দ্বাৰা প্ৰভাৱিত হয়। নথিখনে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশ আৰু পৰিৱৰ্তনক এক অংশ হিচাপেহে বিবেচনা কৰে। কিন্তু ই ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ তথ্য প্ৰদানৰ অন্তত বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে আহৰণ কৰা জ্ঞানৰ এক চূড়ান্ত ফলাফল বুলি বিশ্বাস নকৰে।

উপৰোক্ত পটভূমিৰ আধাৰত সমগ্ৰ প্ৰক্ৰিয়াটোৰ পুনৰীক্ষণৰ বাবে সজীৱ সম্ভাৱনীয়তাৰ সৈতে এক কাৰ্যপন্থা হাতত লোৱা হয় আৰু প্ৰাথমিক স্তৰৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিভিন্ন পাঠ্যক্ৰমিক বিষয়ৰ বাবে শিকনৰ ফলাফল (learning outcomes) সমূহ উদ্ভাৱন কৰি উলিওৱা হয়।

## নথিখনৰ সম্পৰ্কত

বৰ্তমান এই নথিখনত প্ৰাথমিক পৰ্যায়লৈকে প্ৰতিটো শ্ৰেণীৰ বিভিন্ন বিষয় যেনে— ভাষা, গণিত, পৰিৱেশ অধ্যয়ন, বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ বাবে শিকনসমূহ সন্নিৱিষ্ট কৰা হৈছে। নথিখনৰ কিছুমান দিশ বা বৈশিষ্ট তলত দাঙি ধৰা হ'ল—

■ বিভিন্ন তথ্য সম্বলিত এই নথিখন সহজসাধ্য কৰি তুলিবৰ বাবে যথাসম্ভৱ সহজ ভাষা প্ৰয়োগ কৰা হৈছে।

■ প্ৰতিটো পাঠ্যক্ৰমিক সম্বন্ধীয় বিষয়ৰ ভাগসমূহে বিষয়ৰ প্ৰকৃতি সম্বন্ধে এক চমু আভাস সংযোজন কৰিছে। পৰৱৰ্তী পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে স্তৰ অনুযায়ী পাঠ্যক্ৰমৰ আকাংক্ষিত লক্ষ্যত উপনীত হোৱাৰ

কথা অৱতাৰণা কৰা হৈছে।

■ শ্ৰেণী অনুযায়ী প্ৰস্তুত কৰা শিকন লক্ষ্যপ্ৰাপ্তিসমূহ প্ৰক্ৰিয়া ভিত্তিক হিচাপে প্ৰস্তুত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ লক্ষ্য আগত ৰাখি শিকনৰ ফলাফলসমূহ মূল্যায়ন কৰাৰ অৱকাশ ৰখা হৈছে।

■ শিক্ষকসকলক পাঠ্যক্ৰমৰ আকাংখিত লক্ষ্য সম্বন্ধে বোধ জন্মাবলৈ আৰু শিকন ফলাফল লাভ কৰিবলৈ কিছুমান পৰামৰ্শমূলক শিক্ষণ শৈলী উপস্থাপন কৰা হৈছে।

■ প্ৰাসংগিক সমলৰ ব্যৱহাৰ আৰু যথোপযুক্ত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ প্ৰয়োগৰ জৰিয়তে শিক্ষকে শ্ৰেণী কোঠাকে ধৰি (Inclussive Classroom) সুবিধা অনুযায়ী বিভিন্ন পৰিৱেশত বিভিন্ন শিকাৰুৰ ভিন ভিন প্ৰয়োজন অনুসৰি পাঠ পৰিকল্পনা কৰি এক বিশেষ শিকন ব্যৱস্থাৰ সুযোগ প্ৰদান কৰিব পাৰে।

■ শিক্ষণ নীতি সম্পৰ্কীয় প্ৰক্ৰিয়াসমূহ পৰামৰ্শমূলক তথা ইংগিতসূচক ৰূপে ব্যাখ্যা কৰা হৈছে আৰু এইসমূহৰ লগত সংলগ্ন শিকন নীতিসমূহ এটাৰ সৈতে আনটো মিলি যোৱা নাই, কিন্তু এইবোৰক সামগ্ৰিকভাৱে নিৰীক্ষণ কৰাৰ অৱকাশ ৰখা হৈছে। শিক্ষকসকলে সমলৰ পৰ্যাপ্ততা আৰু স্থানীয় প্ৰাসঙ্গিকতালৈ লক্ষ্য কৰি ইয়াক গ্ৰহণ বা সালসলনি কৰিও ব্যৱহাৰ কৰিব পাৰে আৰু নিজেও বহুতো সংযোজনৰ সহায়ত পৰিকল্পনা কৰিব পাৰে।

■ এই শিকনপ্ৰাপ্তিসমূহ বিশেষকৈ ল'ৰা-ছোৱালীৰ বয়সৰ উপযুক্ততা অনুসৰি আৰু পৰ্যায়ক্ৰমে পাঠ্যক্ৰমৰ জটিলতা অনুসৰি প্ৰতিটো পাঠ্যক্ৰমত সংযোজন কৰিবলৈ যত্ন কৰা হৈছে।

এই শিকন প্ৰাপ্তিসমূহ সকলো ল'ৰা-ছোৱালীৰ বাবে একেই; প্ৰতিগৰাকী শিশুৰ ব্যক্তিগত প্ৰয়োজনীয়তাৰ সৈতে ইয়াৰ সমতা স্থাপন আৰু ঐক্য-সঙ্গতি অটুট ৰাখিবলৈ প্ৰয়াস কৰা হৈছে। বিভিন্ন কাৰণত বিশেষভাৱে শৈক্ষিক প্ৰয়োজন (Special Educational Needs) উদ্ভৱ হয়। অক্ষমতাৰ অৱস্থাও এনে এক কাৰণ হ'ব পাৰে। গতিকে দেখা যায় যে তেনে অক্ষম শিশুৰ বিভিন্ন প্ৰয়োজন অনুসৰি তেওঁলোকৰ বাবে বিভিন্ন সামগ্ৰী প্ৰদানৰ জৰিয়তে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হয়। বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ বাবে প্ৰয়োজনীয় কিছুমান সামগ্ৰী হৈছে— চকা লগোৱা চকী (Wheel chair), লাখুটি আদি খোজকঢ়া বা চলা-ফুৰা কৰাৰ সামগ্ৰী, শ্ৰৱণ সহায়ক যন্ত্ৰ, দৃষ্টিশক্তি সহায়ক বা অন্যান্য সামগ্ৰী, শৈক্ষিক সামগ্ৰী যেনে— টেইলৰ ফ্ৰেম, এবেকাচ আদিৰ ব্যৱস্থা কৰা আৰু তেওঁলোকৰ প্ৰয়োজন অনুসৰি শিকন পৰিৱেশ গঢ়ি তোলা, প্ৰয়োজন সাপেক্ষে তেওঁলোকক সহায় কৰিবৰ বাবে আন ল'ৰা-ছোৱালীক উৎসাহিত কৰা, শিকন প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণ নিশ্চিত কৰা আদি। শিকনপ্ৰাপ্তিৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ বাবে আৰু কিছুমান দিশ বা ব্যৱস্থাৱলী তলত উল্লেখ কৰা হ'ল।

■ সফলভাৱে পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে অতিৰিক্ত সময় আৰু উপযুক্ত পৰিৱেশৰ ব্যৱস্থা কৰা।

■ প্ৰয়োজন সাপেক্ষে পাঠ্যক্ৰম সালসলনি কৰা আৰু বিশেষ শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰা।

■ বয়স আৰু শিকন পৰ্যায়ৰ লগত খাপ খোৱাকৈ সুলভ আৰু সহজ পাঠ্যপুথি আৰু অন্যান্য শিকন সামগ্ৰীৰ ব্যৱস্থা কৰা। ভিডিঅ' আদি তথ্য প্ৰযুক্তিৰ ব্যৱহাৰৰ দ্বাৰা অতিৰিক্ত সহায়ৰ ব্যৱস্থা কৰা।

■ তেনে ল'ৰা-ছোৱালীৰ ঘৰুৱা ভাষা আৰু সামাজিক-সাংস্কৃতিক ৰীতি-নীতি সম্পৰ্কীয় কাৰ্যাৱলীক সন্মান জন্মোৱা।

এটা নিৰ্দিষ্ট পাঠক্ৰমৰ শিকন প্ৰাপ্তি/লক্ষ্যসমূহৰ প্ৰতিটো শাখাত বিভিন্ন বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ বাবে শিকন প্ৰয়োজনীয়তা সম্পৰ্কে কিছুমান অতিৰিক্ত বিষয়ভিত্তিক নিৰ্দেশনা উল্লেখ কৰা হৈছে। বৌদ্ধিকভাৱে বাধাগ্ৰস্ত শিশুৱে আহৰণ কৰিবলগীয়া শিকন প্ৰাপ্তিসমূহ প্ৰয়োজন সাপেক্ষে শিথিল হ'ব পাৰে।

এই নথিখন হৈছে আমাৰ দেশৰ শৈক্ষিক পৰিকল্পনাৰ উদ্দেশ্যসমূহ সাফল্যমণ্ডিত কৰাত উদ্ভৱ হ'ব পৰা আঞ্চলিক বৈসাদৃশ্য দূৰ কৰাৰ মানসেৰে লোৱা এটি প্ৰচেষ্টা। ৰাজ্যসমূহে এই শিকনপ্ৰাপ্তি বা শিকন লক্ষ্যসমূহ নিজৰ প্ৰয়োজন আৰু প্ৰসংগক্ৰমে গ্ৰহণ বা সাল সলনি কৰিব পাৰিব। বিদ্যালয়ৰ শ্ৰেণীসমূহত শিশুৰ শিকন অগ্ৰগতিৰ নিৰীক্ষণৰ সুযোগ-সুবিধা প্ৰদান কৰাত বিদ্যালয় শিক্ষাৰ লগত জড়িত নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে সকলো ব্যক্তিৰ বাবে এই নথি ব্যৱহাৰযোগ্য হ'ব বুলি আশা কৰা হ'ল।

# সূচীপত্ৰ


আগকথা

প্ৰস্তাৱনা

**প্ৰাথমিক পৰ্যায়ত শিকনৰ ফলাফল**

১) অসমীয়া .............. ১-৩০

প্ৰাথমিক স্তৰ

উচ্চ প্ৰাথমিক স্তৰ

২) ইংৰাজী .............. ৩১-৪৫

প্ৰাথমিক স্তৰ

উচ্চ প্ৰাথমিক স্তৰ

৩) হিন্দী .............. ৪৬-৫০

প্ৰাথমিক স্তৰ

উচ্চ প্ৰাথমিক স্তৰ

৪) গণিত .............. ৫১-৭৭

প্ৰাথমিক স্তৰ

উচ্চ প্ৰাথমিক স্তৰ

৫) পৰিৱেশ অধ্যয়ন .............. ৭৮-৯০

প্ৰাথমিক স্তৰ

(তৃতীয় মানৰ পৰা পঞ্চম শ্ৰেণীলৈ)

৬) বিজ্ঞান .............. ৯১-১০০

উচ্চ প্ৰাথমিক স্তৰ

(ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ)

৭) সমাজ বিজ্ঞান .............. ১০১-১১১

উচ্চ প্ৰাথমিক স্তৰ

(ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ)

৮) প্ৰস্তুত কৰণত জড়িত ব্যক্তিসকল .............. ১১২-১১৩